**প্ৰেছ বাৰ্তা নং ঃ ১৮/২০২৩**

## অসম তথ্য আয়োগৰ নতুন কাৰ্যালয় ভৱনৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

# জনসাধাৰণৰ অধিকাৰসমূহ সুনিশ্চিত হ'লে ৰাষ্ট্ৰৰ প্ৰগতি অধিক ত্বৰান্বিত হৈ পৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৬ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ পাঞ্জাবাৰীত অসম তথ্য আয়োগৰ নতুন কাৰ্যালয় ভৱনৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে পাঞ্জাবাৰীত ১ বিঘা ২ কঠা ১০ লেচা ভূমিত ১০ কোটি টকা ব্যয় সাপেক্ষে অসম তথ্য আয়োগৰ এই নতুন কাৰ্যালয় ভৱনটো নিৰ্মাণ কৰা হৈছে।

দেশৰ গণৰাজ্য দিৱসৰ শুভক্ষণত অসম তথ্য আয়োগৰ নতুন ভৱনৰ শুভ উদ্বোধন কৰিবলৈ পাই অতিশয় আনন্দিত হৈছে বুলি মন্তব্য কৰি এই উপলক্ষে আয়োজিত সভাত মুখ্যমন্ত্ৰীয়ে কয় যে অসম তথ্য আয়োগৰ কাম-কাজ ২০০৬ বৰ্ষৰ ২ মাৰ্চৰ পৰা আৰম্ভ হৈছিল যদিও এটা স্থায়ী কাৰ্যালয় ভৱন নোহোৱাৰ বাবে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। আজিৰ নতুনকৈ উদ্বোধন কৰা এই ভৱনটোৱে আয়োগৰ কাম-কাজ অধিক খৰতকীয়াকৈ কৰাত সুবিধা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণক চৰকাৰী তথ্যসমূহ জনাৰ সুবিধা নিশ্চিত কৰা আৰু দুৰ্নীতি ৰোধ কৰাৰ দিশত সহায়ক হোৱাকৈ তথ্য আয়োগ গঠিত হৈছিল। জনসাধাৰণে বিচৰা তথ্যসমূহ যাতে লাভ কৰিব পাৰে তাৰ বাবে অসম তথ্য আয়োগে নিৰন্তৰ কাম কৰি আহিছে। তেওঁ লগতে মন্তব্য কৰে যে জনসাধাৰণৰ অধিকাৰসমূহ সুনিশ্চিত হ'লে ৰাষ্ট্ৰৰ প্ৰগতি অধিক ত্বৰান্বিত হৈ পৰে। তথ্য জনাৰ অধিকাৰ আইনখনে জনসাধাৰণক ৰাষ্ট্ৰৰ উন্নয়নৰ অংশীদাৰ হ'বলৈও অধিকাৰ প্ৰদান কৰিছে।

ড° শৰ্মাই কয় যে তথ্য জনাৰ অধিকাৰ আইনখন প্ৰতিটো ৰাজহুৱা কৰ্তৃপক্ষৰ কাম-কাজত স্বচ্ছতা আৰু দায়বদ্ধতা বৃদ্ধি কৰাৰ বাবে প্ৰৱৰ্তন কৰা হৈছিল। চৰকাৰখনৰ কাম-কাজ কিদৰে পৰিচালিত হয়, প্ৰকল্প ৰূপায়ণৰ ব্যয় আৰু সময়সীমা, চৰকাৰী আঁচনিসমূহ কিদৰে ৰূপায়িত হৈছে তথা চৰকাৰী প্ৰয়াসবোৰ বিষয়ে জনাৰ অধিকাৰ আছে জনসাধাৰণৰ। তথ্য জনাৰ অধিকাৰ আইনে সেই সুবিধা প্ৰদান কৰি ৰাজহুৱা স্বাৰ্থ জড়িত বিষয়সমূহৰ সৈতে সংযুক্ত হোৱাত পথ সুগম কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। এই আইনখনৰ সদ ব্যৱহাৰৰ বাবেও জনসাধাৰণ সচেষ্ট হ'ব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে যিসমূহ তথ্যই জনসাধাৰণক তথা ৰাজ্যৰ উন্নয়নক প্ৰভাৱিত কৰে, দুৰ্নীতি ৰোধ কৰাত সহায়ক হয় তেনে তথ্য বিচৰা উচিত।

মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী বিভাগসমূহেও জনসাধাৰণে বিচৰা তথ্যসমূহ আইনখনৰ অধীনত থকা সময়সীমাৰ ভিতৰত দিয়াটো সুনিশ্চিত কৰিব লাগিব। ইয়ে আইনখনৰ উপযুক্ত প্ৰয়োগৰ দিশত ইতিবাচক ফল কঢ়িয়াই আনিব। তেওঁ লগতে মন্তব্য কৰে যে অসম তথ্য আয়োগে ২০০৬ চনৰ পৰা এই আইনখনৰ সঠিক প্ৰয়োগৰ দিশত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰি আহিছে আৰু আয়োগৰ কাম-কাজে এটা বিশেষ গতি লাভ কৰিবলৈ সক্ষম হৈছে।

মুখ্যমন্ত্ৰীয়ে আইনখনৰ সম্পৰ্কৰ অধিক জনসচেতনতা বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰি কয় যে আয়োগে এই ক্ষেত্ৰত দৃঢ়তাৰে পদক্ষেপ ল'ব লাগিব। ৰাজ্য চৰকাৰে এইক্ষেত্ৰত সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াব। আজি উদ্বোধন হোৱা নতুন ভৱনে আয়োগৰ গোচৰ মীমাংসা প্ৰক্ৰিয়াটো অধিক দ্ৰুত কৰাৰ দিশত সহায়ক হৈ উঠিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে দেশৰ স্বাধীনতা আন্দোলনত স্বদেশপ্ৰেমৰ উজ্বল নিদৰ্শন দেখুৱাই চৰম ত্যাগ কৰা শ্বহীদ আৰু মুক্তিযোদ্ধাসকললৈও শ্ৰদ্ধা জ্ঞাপন কৰে।

অনুষ্ঠানত ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত ড° এ পি ৰাউত, ৰাজ্যিক তথ্য আয়ুক্তদ্বয় কনক চন্দ্ৰ শৰ্মা আৰু ড° সমুদ্ৰগুপ্ত কাশ্যপ, আৰক্ষী দায়বদ্ধতা আয়োগৰ অধ্যক্ষ তথা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি পি কটকী, বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তী, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, লোকনিৰ্মাণ বিভাগৰ আয়ুক্ত ৰাজ চক্ৰৱৰ্তীকে ধৰি বহু গণ্য-মান্য বক্তি উপস্থিত থাকে।

**হেঃশঃ**
**২৬/১/২০২৩**